আমাৰ অসম ১৯/৭

# এন আৰ চিক লৈ গোৰেশ্বৰত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ

**গোৰেশ্বৰৰ প্ৰতিবেদক, ১৮ জুলাই ঃ** ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম অব্যাহত থকাৰ সময়তে নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে লিগেচী ডাটা বিচাৰি হাৰাশাস্তিৰ সন্মুখীন হৈছে বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ বহু লোকে। শুকুৰবাৰে গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত হাজলপাৰা গাঁৱৰ ৰাইজে লিগেচী ডাটা বিচাৰি চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰে তীব্ৰ প্ৰতিবাদ জনায়। প্ৰতিবাদী গঞাই হাতে হাতে ফেষ্টুন লৈ 'আমাক লিগেচী ডাটা প্ৰদান কৰক, লিগেচী ডাটাৰ নামত হাৰাশাস্তি বন্ধ কৰক, এন আৰ চিৰ নামত গাঁওবুঢ়াৰ ধন ঘটা বন্ধ কৰক, হাজলপাৰা গাঁৱত স্থায়ী গাঁওবুঢ়া নিযুক্তি দিয়ক' আদি বিভিন্ন শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে দীৰ্ঘ সময় কাৰ্যালয়টোৰ মূল প্ৰৱেশদ্বাৰৰ সন্মুখত অৱস্থান গ্ৰহণ কৰাৰ পিছত প্ৰতিবাদস্থলীলৈ নৱনিযুক্ত ৰাজহ চক্ৰ বিষয়া পংকজ চমুৱা আহি প্ৰতিবাদ সম্পৰ্কে বুজ লোৱাত প্ৰতিবাদকাৰীসকলে ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে জিলা উপায়ুক্তলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰ গ্ৰহণ কৰি ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে শীঘ্ৰে গাঁওবাসীয়ে এন আৰ চি সন্দৰ্ভত দেখা দিয়া সমস্যা দূৰ কৰাৰ আশ্বাস প্ৰদান কৰাৰ লগতে স্থায়ী গাঁওবুঢ়া নিযুক্তি সন্দৰ্ভতো জিলাৰ উপায়ুক্তক অৱগত কৰিব বুলি উল্লেখ কৰে। পিছত প্ৰতিবাদস্থলীতে শংকৰ ৰাজবংশীয়ে আঁত ধৰা এখন সভাত গাঁওখনৰ খগেন বিশ্বাস, তপন শইকীয়া, প্ৰতাপ ৰাজবংশী আৰু বুদ্ধি ডেকাই বক্তব্য আগবঢ়ায়। উল্লেখ্য, গাঁওখনত বঙালী, কোঁচ, শৰণীয়াকে ধৰি কেইবাটাও সম্প্ৰদায়ৰ প্ৰায় তিনি সহস্ৰাধিক লোকে লিগেচী ডাটা কোড ইণ্টাৰনেটত নোপোৱাৰ ফলত এন আৰ চি প্ৰ-পত্ৰ পূৰণ কৰি দাখিল কৰিব পৰা নাই, যাৰ ফলত ৩১ জুলাইলৈকে প্ৰ-পত্ৰ পূৰণৰ দিন ধাৰ্য কৰাৰ ফলত বহু লোকে মানসিকভাৱে ভাগি পৰিবলগীয়া হৈছে। সেয়েহে সময় থাকোঁতে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে স্থানীয় ৰাইজে।